আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক


www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JANUARY 20, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২৪ Guwahati, Assam ।। মূল্যঃ এটকা



বাথৌ মহাসভাৰ ত্ৰিবাৰ্ষিক অধিৱেশনত অমিত শ্বাহ



## অযোধ্যা সাজু!
## লো-তীখা অবিহনে চলিছে ৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্য


বাতৰি ভিতৰৰ পৃষ্ঠাত

# লখিমপুৰত কংগ্ৰেছৰ 'ন্যায় যাত্ৰা'ত আক্ৰমণ! গাড়ীলৈ শিলগুটি নিক্ষেপ

## স্থানীয় বিধায়কৰ ঘনিষ্ঠ লোক জড়িত থকা বুলি অভিযোগ ভূপেন বৰাৰ

ই-সংবাদ, ২০ জানুৱাৰীঃ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ ষষ্ঠ দিনটোৰ নিশা লখিমপুৰত স্থানীয় বিধায়কৰ ঘনিষ্ঠ লোকৰ নেতৃত্বত আক্ৰমণ সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছে। এই সন্দৰ্ভত কংগ্ৰেছে নতুন দিল্লীত এখন সংবাদমেলো সম্বোধন কৰে। একেদৰে ন্যায় যাত্ৰাৰ আজিৰ ৰুটিন সংবাদমেলতো অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই বলেৰ' বাহনত অহা দুৰ্বৃত্তৰ দলে হাতে হাতে টাঙোন লৈ ন্যায় যাত্ৰাক বেনাৰ-পোষ্টাৰ ফালি পেলোৱাৰ লগতে কেবাখনো বাহনত আক্ৰমণ চলোৱা বুলিও অভিযোগ কৰিছে। দুৰ্বৃত্তৰ দলটোৱে যুৱ কংগ্ৰেছৰ নেতাক মাৰধৰ কৰাৰো অভিযোগ তুলিছে কংগ্ৰেছে। সমগ্ৰ ঘটনাটোক লৈ কংগ্ৰেছে দুখনকৈ এজাহাৰো দাখিল কৰিছে বুলি সংবাদমেলত জানিবলৈ দিছে।

শেষাংশ দুই পৃষ্ঠাত



## যাত্ৰাৰ সফলতা প্ৰত্যক্ষ কৰি বিজেপিয়ে ভয় খাইছে বুলি নতুন দিল্লীত সংবাদমেলত দাবী মাকেনৰ

## ভাৰত-ম্যানমাৰ সীমান্ত ছীল হ'বঃ শ্বাহ

**ই-সংবাদ, ২০ জানুৱাৰীঃ** চুবুৰীয়া দেশ ম্যানমাৰত গৃহযুদ্ধ অব্যাহত আছে৷ অস্থিৰ হৈ পৰা মন্যামাৰৰ সেনাৰ দ্বাৰা

৪ নং পৃষ্ঠাত চাওক

## কৃষক মুক্তিৰ দুই নেতাক নিশা গ্ৰেপ্তাৰ

**ই-সংবাদ, ২০ জানুৱাৰীঃ** মধ্য অসমত ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা অব্যাহত থকাৰ সময়তে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

৩ নং পৃষ্ঠাত চাওক

## কংগ্ৰেছক লাগে জেপি নাড্ডা যোৱা পথ

**ই-সংবাদ, ২০ জানুৱাৰীঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে গুৱাহাটী নগৰত ন্যায় যাত্ৰা কৰিবলৈ ৰাস্তাৰ অনুমতি নিদিয়াত

২ নং পৃষ্ঠাত চাওক

## ৰাহুল গান্ধীৰ বিৰুদ্ধে আদালতলৈ যাব নন্দিল!

**ই-সংবাদ, ২০ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নহয়, এইবাৰ ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰ তৰিব পুত্ৰ নন্দিল বিশ্ব

৩ নং পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা

# লখিমপুৰত কংগ্ৰেছৰ ন্যায় যাত্ৰাত আক্ৰমণ

একাংশ দুস্কৃতিকাৰীয়ে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ বাবে আঁৰি থোৱা বেনাৰ-পোষ্টাৰ ফালি পেলোৱা আৰু যাত্ৰাৰ বাবে ৰখাই থোৱা বাহনৰ ক্ষতিসাধন কৰাৰ ঘটনাৰ পিছতে বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কংগ্ৰেছ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুণ্ডা বাহিনী লগাই কংগ্ৰেছ সমৰ্থকৰ ওপৰত এনে আক্ৰমণৰ ঘটনা সংঘটিত কৰাৰ অভিযোগ তুলি আইনী ব্যৱস্থা গ্ৰহণৰো হুংকাৰ দিছে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক কংগ্ৰেছে। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি এক্সত লিখিছে, “অসমৰ লখিমপুৰত বিজেপিৰ গুণ্ডা বাহিনীয়ে ভাৰত জোড়ো ন্যায় যাত্ৰাৰ বাহনৰ ওপৰত লজ্জাজনক আক্ৰমণ সংঘটিত কৰা আৰু কংগ্ৰেছ দলৰ বেনাৰ-পোষ্টাৰ ফালি পেলোৱা কাৰ্য্যক আমি তীব্ৰ গৰিহণা দিছো। বিগত ১০ বছৰ বিজেপিয়ে ভাৰতৰ জনসাধাৰণৰ বাবে সংবিধানে নিশ্চিত কৰা প্ৰতিটো অধিকাৰ আৰু ন্যায়ক ভৰিৰে মোহাৰি চূৰ্ণ-বিচূৰ্ণ কৰাৰ চেষ্টা কৰিছে। তেওঁলোকে জনতাৰ কণ্ঠ ৰুদ্ধ কৰি গণতন্ত্ৰক অপহৰণ কৰিব বিচাৰিছে। অসমৰ বিজেপি চৰকাৰে এনে কু অভিপ্ৰায়ৰে আক্ৰমণ কৰি আৰু ভয় দেখুৱাই কংগ্ৰেছ দলক ভয় খুৱাব ভয় খুৱাব নোৱাৰে।” কংগ্ৰেছ দলে বিজেপিৰ এই কাণ্ডৰ বিৰুদ্ধে বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলিও সকীয়াই দিয়ে খাৰ্গেয়ে।

ন্যায় যাত্ৰাৰ সফলতাক লৈ বিজেপিয়ে নাৰ্ভাছ অনুভৱ কৰা বুলি দাবী কৰি যাত্ৰাৰ সফলতা ৰোধৰ বাবেই এনে সস্তীয়া কৌশলৰ আশ্ৰয় লোৱা বুলি মন্তব্য কৰে কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক কে চি বেণুগোপালে। তেওঁ কয়, "আটাইতকৈ ভ্ৰষ্ট মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ন্যায় যাত্ৰাক লৈ কিমান ভীতিগ্ৰস্ত হৈ পৰিছে, ইয়াতকৈ অধিক প্ৰমাণ লাগে নেকি? তেওঁৰ গুণ্ডা বাহিনীয়ে আমাৰ কংগ্ৰেছৰ পোষ্টাৰ আৰু বাহন ভাঙিছে!” ইফালে বিজেপিৰ প্ৰতি অত্যধিক আনুগত্য দেখুৱাবলৈ চেষ্টা কৰি অসমৰ মুখ্যমন্ত্ৰীয়ে এনে কাণ্ড সংঘটিত কৰা বুলি সমালোচনা কৰি জয়ৰাম ৰমেশে বিজেপিৰ অধ্যক্ষ জে পি নাড্ডালৈ এক আহ্বান জনায়। তেওঁ কয় যে যে নাড্ডাই হিমন্ত বিশ্ব শৰ্মাক কোৱা উচিত যে তেওঁৰ আৰু অধিক আনুগত্যৰ প্ৰমাণ দিয়াৰ প্ৰয়োজন নাই। ন্যায় যাত্ৰাক পূৰ্বে নিজেই নড্ডাই লোৱা পথটো ল’বলৈ দিয়া উচিত বুলিও কয় তেওঁ। আজি এআইচিচিৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি জ্যেষ্ঠ নেতা তথা দলৰ কোষাধ্যক্ষ অজয় মাকেনে কয় যে ন-বিজেপি হোৱাৰ বাবেই অসমৰ মুখ্যমন্ত্ৰী শৰ্মাই ৰজাতকৈ অধিক আনুগত্যশীল হ’বলৈ চেষ্টা কৰিছে আৰু নিজৰ আনুগত্য প্ৰকাশ কৰিবলৈ গৈ এনে আক্ৰমণ সংঘটিত কৰিছে। চিবিআইৰ এখন মাত্ৰ জাননীৰ ভয়তে বিজেপিত যোগদান কৰা হিমন্ত বিশ্ব শৰ্মাক কাপুৰুষ বুলিও অভিহিত কৰে মাকেনে। আনহাতে ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াইও৷ তেওঁ কয় যে চহৰৰ মাজেৰে পাৰ হৈ যোৱাৰ সময়তে লখিমপুৰৰ দৰে সাংস্কৃতিক স্থানত এই আক্ৰমণ কৰা হৈছে৷ শইকীয়াই কয়, "আমি লখিমপুৰক লৈ গৌৰৱ কৰো৷ অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঁঞিবৰুৱাৰ ইয়াতে জন্ম হৈছিল৷ প্ৰসিদ্ধ সাহিত্যিক হোমেন বৰগোঞিৰ জন্মস্থান লখিমপুৰ। এই লখিমপুৰ চহৰত আজি অসহিষ্ণু লোক দেখিছো। এয়া দুৰ্ভাগ্যজনক।” প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই এই ঘটনাক নিন্দা কৰে৷ ঘটনাৰ সময়ত ব্যৱহাৰ কৰা গাড়ীখনৰ মালিকৰ লখিমপুৰৰ বিধায়কৰ সৈতে ফটো থকা বুলিও দাবী কৰে বৰাই৷ নিশা ট্ৰাকত যুৱ কংগ্ৰেছৰ নেতাই পোষ্টাৰ লগাবলৈ যোৱাৰ সময়ত বিজেপিৰ গুণ্ডাই যুৱ কংগ্ৰেছীক আক্ৰমণ কৰি গাড়ী ভাঙি পেলোৱাৰ অভিযোগ উত্থাপন কৰি দুখন এজাহাৰ দাখিল কৰা বুলি কয় বৰাই৷ বৰাই কয় যে এখন এজাহাৰ পোষ্টাৰ ফলাৰ বাবে আৰু আন এখন গাড়ীত আক্ৰমণৰ বাবে দাখিল কৰা হৈছে৷ ইফালে, গৌৰৱ গগৈয়ে এই কাণ্ডক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ৰাহুল গান্ধীয়ে জনগণৰ সৈতে সম্পৰ্ক স্থাপন কৰিছে৷ কিন্তু অসমৰ বিজেপি চৰকাৰে সংকীৰ্ণ মানসিকতাক পৰিচয় দিছে৷ বিজেপিৰ গুণ্ডাই চহৰ বিলাকত ভয়ৰ বাতাবৰণ গঢ়ি তুলিছে৷ ব্যৱসায়ীক ধমক দিছে, ঠেলাৱালা, যুৱ প্ৰজন্মক ধমক দিবলৈ আৰম্ভ কৰিছে৷ তেওঁ লগতে কয় যে বিজেপিৰ বিধায়ক আৰু মুখ্যমন্ত্ৰীৰ নিদ্ৰাহৰণ কৰিছে ভাৰত জোড়ো যাত্ৰাই৷ গৌৰৱ গগৈয়ে মুখ্যমন্ত্ৰীক সকিয়নী প্ৰদান কৰি কয় যে কাৰোবাক যদি ধমক দিবলৈ ইচ্ছা গৈছে তেন্তে কয়লা মাফিয়া, ড্ৰাগছ ব্যৱসায়ী, খনন মাফিয়া, চুপাৰি মাফিয়া, কাঠৰ ব্যৱসায়ী ধমক দিয়ক৷ বিজেপিৰ গুণ্ডা বাহিনীক দিছপুৰৰ বিধায়ক আৰসাত বন্দী কৰি ৰাখিবলৈও আহ্বান জনায় গগৈয়ে৷ কংগ্ৰেছৰ লখিমপুৰৰ নেতা তথা জ্যেষ্ঠ মুখপাত্ৰ জয় প্ৰকাশ দাসে বিজেপি কৰ্মীয়ে এই জঘন্য কাৰ্য্য সংঘটিত কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "যেতিয়া আমি শাসনত আছিলো, আমি বিজেপিক সন্মান কৰিছিলো। মোদী গোগামুখলৈ আহি ভাষণ দিছিল। আমি শাসনত থকাৰ সময়ত ৰাজনাথ সিঙে গেৰুকামুখলৈ আহি ধৰ্ণা দিছিল। কিন্তু আজি ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক বিজেপিয়ে ভয় কৰিছে। যোৱা নিশা আমাৰ যুৱ কংগ্ৰেছৰ কেইজনমান নেতাক আক্ৰমণ কৰা হৈছে৷ গাড়ী ভাঙিছে৷ পোষ্টাৰ আৰু বেনাৰ ফালি পেলোৱা হৈছে। এনে ধৰণৰ পৰিৱেশ আগতে কেতিয়াও হোৱা নাছিল লখিমপুৰত।” লখিমপুৰ জিলা গঠন হোৱাৰ পৰাই এনে পৰিস্থিতি কেতিয়াও সংঘটিত হোৱা নাছিল বুলিও কয় জয় প্ৰকাশ দাসে।

■ প্ৰথম পৃষ্ঠাৰ পৰা

# কংগ্ৰেছক লাগে জে পি নাড্ডা

আক্ষেপ প্ৰকাশ কৰে৷ গুৱাহাটীত ৰাহুল গান্ধীৰ যাত্ৰাৰ বাবে অনুমতি ল’বলৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক গুৱাহাটীলৈ প্ৰেৰণ কৰা বুলি কয়৷ আৰক্ষী আৰু মুখ্যমন্ত্ৰীৰ পৰামৰ্শদাতাক সাক্ষাৎ কৰি পথৰ অনুমতিৰ বিষয়ে কথা পাতিব বুলি কৈ জয়ৰাম ৰমেশে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আমাৰ আগত বিজেপি আৰু আৰএছএছৰ প্ৰতি আনুগত্য প্ৰমাণ কৰি দেখুৱাব নালাগে৷ চৰকাৰক এটাই আহ্বান জনাইছো যাতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে.পি নাড্ডাই গুৱাহাটীত যিটো পথেৰে ৰেলী কৰিছিল সেইটো পথেৰে আমাক যাত্ৰা কৰিবলৈ অনুমতি দিয়ে৷ গুৱাহাটী প্ৰেছ ক্লাৱত সাংবাদিকৰ সৈতে মুখামুখি হোৱাৰ লগতে যুৱ প্ৰজন্মৰ সৈতে মুখামুখি কাৰ্যসূচী অনুষ্ঠিত হ’ব বুলিও কয় ৰমেশে৷ ভূপেন বৰায়ো একেটা কথাকে কয় যে যিটো পথেৰে জে.পি নাড্ডাই যাত্ৰা কৰিছিল সেই পথটোৰে ন্যায় যাত্ৰা কৰিবলৈ অনুমতি দিব লাগে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীৰ বিৰুদ্ধে আদালতলৈ যাব

শৰ্মাই। ভাৰত জোড়ো ন্যায় যাত্ৰা অসমত চলি থকাৰ সময়তে এই খবৰে লাভ কৰিছে ব্যাপক চৰ্চা। কেইবাটাও ৰাষ্ট্ৰীয় সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰ তৰিবলৈ সাজু হৈছে মুখ্যমন্ত্ৰীৰ পুত্ৰ। বৰ্তমান বাংগালুৰুৰ নেচনেল ল স্কুল অৱ ইণ্ডিয়াত অধ্যয়ন কৰি থকা নন্দিল বিশ্ব শৰ্মাই তেওঁৰ পৰিয়ালক দুৰ্নীতিগ্ৰস্ত বুলি ৰাহুল গান্ধীয়ে কৰা মন্তব্যৰ বিৰুদ্ধে গোচৰ তৰিব বুলি প্ৰকাশ কৰা হৈছে বাতৰি। উল্লেখ্য যে, ন্যায় যাত্ৰা কৰি বৰ্তমান অসমত আছে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী। মণিপুৰৰ পৰা আৰম্ভ হোৱা এই ন্যায় যাত্ৰাই অসমত প্ৰৱেশ কৰিছিল ১৮ জানুৱাৰীত। সেইদিনাই যোৰহাটত এক জনসভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি তেওঁৰ সমগ্ৰ পৰিয়াল দুৰ্নীতিগ্ৰস্ত বুলি অভিহিত কৰিছিল ৰাহুল গান্ধীয়ে। ভাৰতৰ ভিতৰতে আটাইতকৈ ভ্ৰষ্ট মুখ্যমন্ত্ৰী হিচাপে হিমন্ত বিশ্ব শৰ্মাক অভিহিত কৰি ৰাহুল গান্ধীয়ে নিজৰ ভাষণত কৈছিল, "কেৱল হিমন্ত বিশ্ব শৰ্মাই নহয়, তেওঁৰ সম্পূৰ্ণ পৰিয়াল দুৰ্নীতিৰ সৈতে জড়িত।" সামাজিক মাধ্যমত যথেষ্ট চৰ্চিত হোৱা ৰাহুল গান্ধীৰ এই মন্তব্যৰ পিছতে মুখ্যমন্ত্ৰীৰ পুত্ৰই গোচৰ তৰাৰ খবৰ প্ৰকাশ পাইছে। ইফালে ৰাহুল গান্ধীক প্ৰত্যাক্ৰমণ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও। ৰাহুল গান্ধীক প্ৰত্যুত্তৰ দি তেওঁ কয়, "মোৰ মতে গান্ধী পৰিয়াল হৈছে দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত পৰিয়াল। গান্ধী পৰিয়ালে এটা 'ডুপ্লিকেট' নাম লৈ আছে। তেওঁলোক কেৱল দুৰ্নীতিগ্ৰস্ত নহয়, নকলও। তেওঁলোকৰ পৰিয়ালৰ নাম আনকি গান্ধীও নহয়। তেওঁলোকে তেওঁলোকৰ নকল নাম বহন কৰি আছে। যদি কোনোবাই ডুপ্লিকেট অনুজ্ঞাপত্ৰ বহন কৰে মই ধৰিব পাৰো। কিন্তু মই নাজানো যে যদি কোনোবাই ডুপ্লিকেট উপাধি বহন কৰে তেন্তে কি হ'ব পাৰে। সেইকাৰণে তেওঁলোকে ঘূৰি ফুৰিছে।" উল্লেখ্য যে, ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ মাজতে লখিমপুৰত কালি নিশা একাংশ দুষ্কৃতিকাৰীয়ে যাত্ৰাৰ পোষ্টাৰ, হৰ্ডিং ফালি পেলোৱাৰ লগতে যাত্ৰাৰ বাবে ৰখাই থোৱা বাহনত আক্ৰমণ কৰি ক্ষতিসাধন কৰে। ইতিমধ্য সামাজিক মাধ্যমত এই ঘটনাৰো ভিডিঅ' ভাইৰেল হৈ পৰিছে। এই আক্ৰমণৰ ঘটনাৰ পিছতে কংগ্ৰেছে হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰি বিজেপিৰ আস্থাভাজন হ'ব বিচাৰি মুখ্যমন্ত্ৰীয়ে গুণ্ডা লগাই এনে ঘটনা সংঘটিত কৰাৰ অভিযোগ তোলে।

# কৃষক মুক্তিৰ দুই নেতাক নিশা গ্ৰেপ্তাৰ

বিৰুদ্ধে তৎপৰ হৈছে অসম আৰক্ষী। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ দুই নেতাক নিশা আটক কৰিছে অসম আৰক্ষীয়ে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া আৰু সাংগঠনিক সম্পাদক আকাশ দলেক আটক কৰা বুলি দাবী কৰিছে সংগঠনটোৱে। পুৱতি নিশা ফৰকাটিং আৰক্ষী চকীৰ আৰক্ষীৰ দল এটাই বিদ্যুৎ শইকীয়াৰ ঘৰত প্ৰৱেশ কৰি শোৱাপাটিৰ পৰাই আটক কৰা বুলি জানিব পৰা গৈছে। আটক কৰাৰ সময়ত ফৰকাটিং আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৌস্তৰমণি গগৈয়ো আছিল। একেধৰণে কৃষক মুক্তিৰ মুখ্য সাংগঠনিক সম্পাদক আকাশ দলেক নিশা ১২ বজাত যোৰাবাটৰ আৰক্ষীয়ে শোৱাপাটীৰ পৰা আটক কৰিছে। সংগঠনটোৱে আটকাধীন দুই নেতাক ক'ত ৰাখিছে সেই কথা ২০ দুপৰীয়া ৩ বজা পৰ্যন্ত জনোৱা নাই বুলি প্ৰকাশ কৰিছে। বিদ্যুৎ শইকীয়া আৰু আকাশ দলেক আটক কৰাৰ কাৰণ আৰক্ষীয়ে অৱগত কৰোৱা নাই। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে ফেচবুকত পোষ্ট দি দুই নেতাক আটক কৰা বুলি পোষ্ট দিয়াৰ লগতে শীঘ্ৰে মুকলি কৰি দিয়াৰ দাবী উত্থাপন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক টেগ কৰা পোষ্টত এয়া কি কাৰবাৰ বুলি মুখ্যমন্ত্ৰীক প্ৰশ্ন সোধে। অমিত শ্বাহে 'ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰন্ট' উদ্বোধন কৰিবলৈ যোৱাৰ সময়ত শিলসাঁকোৰ মহিলাই প্ৰতিবাদ সাব্যস্ত কৰিব বুলি আশংকা কৰিয়েই দুয়ো নেতাক আটক কৰাৰ সন্দেহ কৰা হৈছে। এই ঘটনাক লৈ এতিয়া ছ'চিয়েল মিডিয়াত নেটিজেনসকলে চৰকাৰক সমালোচনা কৰিছে।



মেঘালয় ৰাজ্যৰ ৫২ সংখ্যক প্ৰতিষ্ঠা দিৱসত জনজাতীয় ডেকা-গাভৰুৰ নৃত্য, এই দৃশ্য তুৰাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা

# ভাৰত-ম্যানমাৰ সীমান্ত ছীল হ'ব

পৰিস্থিতি নিয়ন্ত্ৰণাধীন হৈ পৰিছে। সাধাৰণ নাগৰিক, বিৰোধী দলৰ নেতা-কৰ্মী, সমাজকৰ্মীৰ নিৰাপত্তা নোহোৱা হৈ পৰিছে। গৃহযুদ্ধৰ ফলত খাদ্যৰ সংকটত পৰাৰ আশংকা কৰা হৈছে। কেইবাটাও বিদ্ৰোহী গোট আৰু জুণ্টা সেনাৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত থকাৰ সময়তে ভাৰতৰ বাবে অশনি সংকেট হৈ পৰিছে। ম্যানমাৰৰ পৰা শৰণাৰ্থী ভাৰতত প্ৰৱেশ কৰাৰ লগতে নিতৌ ম্যানমানৰ সেনাও ভাৰতত প্ৰৱেশ কৰিব ধৰিছে। এই খবৰ উত্তৰ-পূবৰ ৰাজ্যকেইখনৰ বাবে চিন্তিনীয় হৈ পৰিছে। ম্যানমাৰত বৰ্ধিত বিদ্ৰোহী গোট আৰু জুণ্টা সেনাৰ মাজত তীব্ৰ যুঁজ অব্যাহত আছে। বিগত কেইবাদিন ধৰি জুণ্টা সেনাৰ দল মিজোৰামত প্ৰৱেশ কৰি নিজকে ৰক্ষা কৰি আহিছে। পুনৰ ম্যানমাৰৰ সেনা জোৱান ভাৰতত প্ৰৱেশ কৰিছে। ইতিমধ্যে মিজোৰাম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক এই বিষয়ত সতৰ্ক কৰি দিছে। একে সময়তে চুবুৰীয়া দেশৰ সৈনিকসকলক ঘূৰাই পঠোৱাটো নিশ্চিত কৰিবলৈ আবেদন জনাইছে মিজোৰাম চৰকাৰে। তীব্ৰ সংঘৰ্ষৰ মাজতে ম্যানমাৰ সেনাৰ প্ৰায় ৬০০ সৈন্য ভাৰতত প্ৰৱেশ কৰিছে। মিজোৰামৰ লাংটালাই জিলাত আশ্ৰয় লৈছে। জনজাতীয় বিদ্ৰোহী গোট আৰাকান সেনাই সামৰিক শিবিৰসমূহ দখল কৰিছে। পশ্চিম ম্যানমাৰ ৰাজ্যৰ ৰাকিনস্থিত সেনাৰ শিবিৰসমূহ দখল কৰাত সীমান্ত পাৰ হৈ উত্তৰ-পূবত প্ৰৱেশ কৰিবলৈ বাধ্য হৈছে ম্যানমাৰী সেনা। উত্তৰ-পূবত প্ৰৱেশ কৰা সেনাক অসম ৰাইফলছৰ শিবিৰত আশ্ৰয় দিয়া হৈছে। মিজোৰামৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী লাল দুহোমাই শ্বিলঙত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ বৈঠকৰ বৈঠকত গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে বিষয়টো আলোচনাত মিলিত হয়। বৰ্ধিত উত্তেজনা আৰু অঞ্চলটোৰ স্থিৰতাৰ পৰা মিজোৰামত ইয়াৰ প্ৰভাৱ পৰিব বুলি কৈ মুখ্যমন্ত্ৰী লালদুহোমাই ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাই গৃহমন্ত্ৰী অমিত শ্বাহক। মিজোৰামৰ মুখ্যমন্ত্ৰী লালদুহোমাই শ্বিলঙত কয় যে ম্যানমাৰৰ শৰণাৰ্থী আৰু সেনাই আমাৰ দেশত আশ্ৰয় ল'বলৈ পলায়ন কৰি আহিছে। আমি তেওঁলোকক মানৱীয় উপায়েৰে সহায় কৰি আছো। বাৰে বাৰে ম্যানমাৰৰ সৈন্যসকলে আহি আশ্ৰয় বিচাৰে। পূৰ্বে সেনাক বিমানেৰে ঘূৰাই পঠোৱা হৈছিল। প্ৰায় ৪৫০ জন সেনা জোৱানক ঘূৰাই পঠোৱা হৈছিল। আজি গুৱাহাটীত অমিত শ্বাহে এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিতে কয় যে কেন্দ্ৰই শীঘ্ৰেই ভাৰত-ম্যানমাৰ সীমান্ত ছীল কৰা হ'ব। ভাৰত-ম্যানমাৰ সীমান্তত বাস কৰা লোকক ভিছা অবিহনে প্ৰৱেশ বন্ধ কৰা হ'ব। ১৬ কিলোমিটাৰ প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া ব্যৱস্থা শীঘ্ৰেই সমাপ্ত কৰাৰ ঘোষণা কৰিছে শ্বাহে। অসম আৰক্ষীৰ কমাণ্ডোৰ পেৰেডত গ্ৰহণ কৰি দিয়া ভাষণত অমিত শ্বাহে কয় বাংলাদেশৰ দৰেই ম্যানমাৰৰ সৈতে ভাৰতৰ সীমান্ত শীঘ্ৰেই সীমান্ত সুৰক্ষিত কৰা হ'ব। উল্লেখ্য যে, ২০২১ চনত ম্যানমাৰৰ গণ অভ্যুত্থানৰ পাছতে ম্যানমাৰৰ সেনা অগ্নি পৰীক্ষাৰ সন্মুখীন হৈ আহিছে। অক্টোবৰৰ শেষৰ পৰা তিনিটা জনজাতি গোটে আক্ৰমণ কৰাত পৰিস্থিতিৰ অৱনতি ঘটে।

# সদৌ অসম ট্ৰাইবেল সংঘৰ প্ৰাক্তন সভাপতি ৰঞ্জিৎ বৰগয়াৰীৰ মৃত্যু

**ই-সংবাদ, কোকৰাঝাৰ, ২০ জানুৱাৰীঃ** সদৌ বড়ো ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সদস্য, কোকৰাঝাৰ জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সদৌ অসম ট্ৰাইবেল সংঘৰ প্ৰাক্তন সভাপতি তথা কোকৰাঝাৰ জিলা বড়ো সমাজৰ প্ৰাক্তন সভাপতি ৰঞ্জিৎ বৰগয়াৰীৰ আজি বাৰ্ধক্যজনিত কাৰণত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৪ বছৰ । তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগেই অসংখ্য গুণমুগ্ধই তেওঁৰ বাসভৱনত ভিৰ কৰে আৰু মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ পূৰ্বে তিনি সন্তান, এজনী জীয়ৰী আৰু অজস্ৰ গুণমুগ্ধক ইহজগতত এৰি থৈ যায়। উল্লেখ্য যে ১৯৪০ চনৰ ৩১ অক্টোবৰত তিতাগুৰীত জন্মগ্ৰহণ কৰা ৰঞ্জিৎ বৰগয়াৰী ১৯৬৭-৬৮ চনত এবছুৰ প্ৰতিষ্ঠাপক সদস্য আছিল। ১৯৬১ চনত তেওঁ মেট্ৰিক উত্তীৰ্ণ হৈছিল ১৯৬৯ চনত কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত সহ: শিক্ষক হিচাপে নিযুক্তি লাভ কৰিছিল। ১৯৬৭চনৰ পৰা ১৯৮৯ চনলৈ তেওঁ বড়ো সাহিত্য সভাৰ সম্পাদক আৰু সভাপতি পদত অধিষ্ঠিত হৈছিল। ১৯৬৮ চনত পিটিচিএৰ দ্বাৰা নিৰ্বাচন বৰ্জন কৰা বাবে গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত কাৰাৰুদ্ধ হৈ আছিল। ১৯৭২ চনত তেওঁ তিতাগুৰী সমবায় সমিতি স্থাপন কৰিছিল। ১৯৭৪ চনৰ ৰোমান লিপি আন্দোলনত তেওঁ পাঁচমাহ গোৱালপাৰা জেলত কাৰাৰুদ্ধ হৈ আছিল। ১৯৮৬ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা সুব্ৰতকাপ ফুটবলৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰা দলৰ দলপতি আছিল। ১৯৯৫ চনত কোকৰাঝাৰ বড়ো সমাজৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল। ২০০৫ চনৰ পৰা ২০১৬ চনলৈ সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোকৰাঝাৰ কেম্পাচ বৰ্তমানৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক সদস্য আছিল। সমাজ সচেতক, শুভচিন্তক তথা অভিভাৱকস্বৰূপ ৰঞ্জিত বৰগয়াৰীদেৰৰ মৃত্যু সমাজৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰি বিধায়ক লৰেন্স ইছলাৰীয়ে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি মৃতকৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। তেওঁৰ মৃত্যুত এবছু, বড়ো সাহিত্য সভা, সদৌ অসম ট্ৰাইবেল সংঘ, বড়ো সমাজ আদিকে ধৰি বিভিন্ন দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা

# লো-তীখা অবিহনে চলিছে ৰাম মন্দিৰৰ

**অনলাইন ফিচাৰ্ছ, ২০ জানুৱাৰীঃ** মাজত মাত্ৰ এটা দিন বাকী। তাৰ পিছতে প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব বহু প্ৰত্যাশিত ৰাম মন্দিৰৰ। ২২ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠানৰ পূৰ্বে সাজু কৰা তোলা হৈছে মন্দিৰৰ তলৰ মহলা। অৱশ্যে এতিয়াও নিৰ্মাণ অসম্পূৰ্ণ হৈ আছে মন্দিৰটোৰ দ্বিতীয় আৰু তৃতীয় মহলাৰ। আধৰুৱা মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা কৰিবলৈ ওলোৱাৰ বাবেই ২২ জানুৱাৰীৰ আড়ম্বৰপূৰ্ণ অনুষ্ঠানত অংশ নোলোৱাৰ সিদ্ধান্ত লৈছিল দেশৰ চাৰি পীঠৰ শংকৰাচাৰ্যই। কিন্তু ভাৰতীয় পৰম্পৰাগত ঐতিহ্য স্থাপত্যৰ এক মনোমহা নিদৰ্শন হিচাপে নিৰ্মাণ কৰা হৈছে অযোধ্যাৰ এই ভব্য ৰাম মন্দিৰ। যাতে এই মন্দিৰ আগন্তুক কেইবাশতিকালৈ অক্ষত হৈ থাকে, তাৰ বাবে নিৰ্মাণত ব্যৱহাৰ কৰা হৈছে বিশেষ প্ৰযুক্তি। লক্ষণীয় কথা যে, ৰাম মন্দিৰ নিৰ্মাণত কোনো ধৰণৰ তীখা আৰু লোহাৰ ব্যৱহাৰ কৰা হোৱা নাই। শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ট্ৰাষ্টৰ মন্দিৰ নিৰ্মাণ সমিতিৰ অধ্যক্ষ নৃপেন্দ্ৰ মিশ্ৰই দাবী কৰা মতে, আগন্তুক এহাজাৰ বছৰতকৈও অধিক কাললৈ অক্ষত হৈ থাকিব এই ৰাম মন্দিৰটো। তেওঁ লগতে এয়াও কয় যে পূৰ্বে কেতিয়াও ব্যৱহাৰ নকৰা প্ৰযুক্তিৰে মন্দিৰৰ গাঁথনিটো নিৰ্মাণ কৰা হৈছে। উল্লেখ্য যে, নাগাৰা শৈলীত ৰাম মন্দিৰৰ স্থাপত্যৰ ডিজাইন প্ৰস্তুত কৰিছে চন্দ্ৰকান্ত সোমপুৰাই। নাগাৰা শৈলী বা উত্তৰ ভাৰতীয় মন্দিৰৰ ডিজাইনৰ সৈতে মিল থকা মন্দিৰটোৰ নিৰ্মাণত ব্যৱহাৰ কৰা হৈছে উন্নত মানৰ গ্ৰেনাইট, বেলেগ বেলেগ শিল আৰু মাৰ্বলৰ। ৰুৰকী কেন্দ্ৰীয় বিল্ডিং ৰিচাৰ্চ ইনষ্টিটিউটৰ সঞ্চালক ড০ প্ৰদীপ কুমাৰ ৰামাঞ্চৰালাই কয় যে মন্দিৰৰ গাঁথনিত ব্যৱহৃত গ্ৰেনাইট, মাৰ্বল আৰু শিল সংযুক্ত কৰিবলৈ কোনো চিমেণ্ট বা চুণ ব্যৱহাৰ কৰা হোৱা নাই। তাৰ বিপৰীতে গছ ব্যৱহাৰ কৰি সমগ্ৰ গঠনটো নিৰ্মাণ কৰিবলৈ তলা আৰু চাবি ব্যৱস্থা ব্যৱহাৰ কৰা হৈছে। চিবিআৰআইয়ে জনোৱা মতে, ৩ মহলীয়া মন্দিৰটো ২৫০০ বছৰলৈ ভূমিকম্পৰ পৰা সুৰক্ষিত হ'ব পৰাকৈ ডিজাইন কৰা হৈছে। মন্দিৰ নিৰ্মাণ সমিতিৰ অধ্যক্ষ নৃপেন্দ্ৰ মিশ্ৰই কয় যে তিনিমহলীয়া মন্দিৰটোৰ মুঠ মাটিকালিৰ পৰিমাণ হৈছে ২.৭ একৰ। মন্দিৰটো ৫৭ হাজাৰ বৰ্গফুটত নিৰ্মাণ কৰা হৈছে। তেওঁ কয় যে ৰাম মন্দিৰত লোহা বা তীখাৰ ব্যৱহাৰ হোৱা নাই, কাৰণ লোহাৰ আয়ুসকাল মাত্ৰ ৮০-৯০ বছৰ। ৰাম মন্দিৰৰ উচ্চতা হ'ব ১৬১ ফুট, যিটো কুতুব মিনাৰৰ উচ্চতাৰ প্ৰায় ৭০ শতাংশ হ'ব। নৃপেন্দ্ৰ মিশ্ৰই লগতে জনোৱা মতে, মন্দিৰৰ তলৰ মাটি বালিচহীয়া আৰু অস্থিৰ আছিল। যাৰ বাবে তেনে ভূমিত মন্দিৰ নিৰ্মাণ কৰাটো এটা ডাঙৰ প্ৰত্যাহ্বান আছিল। কিন্তু বিজ্ঞানীসকলে এই সমস্যাৰ এটা ভাল সমাধান বিচাৰি উলিয়াবলৈ সক্ষম হয়। প্ৰথমে সমগ্ৰ মন্দিৰ এলেকাৰ মাটি ১৫ মিটাৰ গভীৰতালৈ খান্দি লোৱা হয়। তাৰ পিছত ১২-১৪ মিটাৰ গভীৰতালৈকে ইঞ্জিনিয়াৰ্ড মাটি ভৰোৱা হয়। মাটিখিনি শিলৰ দৰে কঠিন কৰি তুলিবলৈ ৪৭ তৰপ বেছড কম্পেক্ট কৰা হয়। তাৰ পিছত ইয়াৰ ওপৰত ১.৫ মিটাৰ ডাঠ এম-৩৫ গ্ৰেড মেটেল ফ্ৰী কংক্ৰিটৰ ৰাফ্ট স্থাপন কৰা হয়। ভেটিটো আৰু অধিক মজবুত কৰিবলৈ দক্ষিণ ভাৰতৰ পৰা আমদানি কৰা ৬.৩ মিটাৰ ডাঠ কঠিন গ্ৰেনাইট শিল স্থাপন কৰা হয়।
মন্দিৰৰ ওপৰৰ অংশটো ৰাজস্থানৰ পৰা আমদানি কৰা গুলপীয়া ৰঙৰ 'বংশী পাহাৰপুৰ' শিলেৰে নিৰ্মাণ কৰা হৈছে। চিবিআৰআইৰ মতে, তলৰ মহলাত মুঠ ১৬০ টা স্তম্ভ আছে। প্ৰথম মহলাত ১৩২টা স্তম্ভ আৰু দ্বিতীয় মহলাত ৭৪টা স্তম্ভ আছে। সেই সকলোবোৰ বেলেগ শিলেৰে নিৰ্মিত আৰু বাহিৰত খোদিত কৰা। একে সময়তে, মন্দিৰৰ গৰ্ভগৃহটো ৰাজস্থানৰ বগা মাকৰানা মাৰ্বলৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে।

# অ'পিএছ বিচাৰি ৰাজ্যজুৰি কৰ্মবিৰতি

**ই-সংবাদ, গুৱাহাটী, ২০ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা আৰু গৃহমন্ত্ৰী অমিত শ্বাহ অসমত থকাৰ সময়তে আজি ৰাজ্যৰ কেইবা শ চৰকাৰী কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে৷ সদৌ অসম চৰকাৰী এন.পি.এছ কৰ্মচাৰী সন্থাৰ আহ্বানত পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰাৰ দাবীত ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে কৰ্মচাৰীসকলে৷ ৰাজ্যৰ আটাইকেইখন জিলাত শিক্ষক আৰু আন আন কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰি চৰকাৰৰ কামত অসহযোগ কৰে৷ ৰাজধানী গুৱাহাটী মহানগৰীৰ লগতে




আটাইকেইখন জিলাত প্ৰতিবাদ সাব্যস্ত কৰাত বহু বিদ্যালয়ত পাঠদান আৰু আন চৰকাৰী কাৰ্যালয়ত কামত বাধা জন্মে৷ এনপিএছ ব্যৱস্থা বাতিল কৰি পুৰণি পেন্সন শীঘ্ৰে কাৰ্যকৰী কৰাৰ দাবীত নগাঁও জিলাৰ বঢ়মপুৰতো শিক্ষকসকলে কৰ্মবিৰতি পালন কৰে৷ বঢ়মপুৰৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীয়ে পাঠদান স্থগিত ৰাখে৷ গোৰেশ্বৰ নাওকাটাতো শিক্ষকসকলে কৰ্মবিৰতি পালন কৰে৷ ৰঙিয়াত কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰে৷ ৰঙিয়া হৰদত্ত-বীৰদত্ত ভৱনত গান্ধী মণ্ডপত কৰ্মচাৰীয়ে প্ৰতিবাদ জনায়৷ বেনাৰ-পোষ্টাৰ লৈ পেন্সন প্ৰদানৰ দাবীত ৰাজ্য চৰকাৰৰবিৰুদ্ধে শ্ল'গান দিয়া পৰিলক্ষিত হয়৷ বিভিন্ন জিলাৰ পৰা সদৌ অসম চৰকাৰী এন.পি.এছ কৰ্মচাৰী সন্থাৰ শাখা সমিতিসমূহে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে৷ কৰ্মচাৰীসকলে ভৱিষ্যত সুৰক্ষাৰ বাবে এন.পি.এছ বাতিল কৰি অ'.পি.এছ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ উত্থাপন কৰে৷ অন্যথাই অনাগত দিনত ভয়াবহ আন্দোলনৰ হুংকাৰ দিয়ে সন্থাই৷




# ২০৪৬ৰ ভিতৰত বিশ্বৰ শীৰ্ষ আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ হ'ব ভাৰত

## তেজপুৰ-গুৱাহাটীত ৬টা কাৰ্যসূচীত অংশগ্ৰহণ অমিত শ্বাহৰ

**ই-সংবাদ, ২০ জানুৱাৰীঃ** দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূবলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত ৬টা বিশেষ কাৰ্যসূচীত অংশ লয়৷ ১৯ জানুৱাৰীৰ আবেলি শ্বিলঙৰ পৰা তেজপুৰত উপস্থিত হৈছিল গৃহমন্ত্ৰী অমিত শ্বাহ৷ নিশা তেজপুৰতে কটায় আজি পুৱাৰ ভাগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে তেজপুৰত সশস্ত্ৰ সীমা বল চমুকৈ এছএছবিৰ প্ৰতিষ্ঠা দিৱসত অংশ লয়৷ এছএছবিৰ ৬০ তম প্ৰতিষ্ঠা দিৱসত বিশেষ পেৰেডত অংশ লয় অভিবাদন গ্ৰহণ কৰে৷ শ্বাহে ভুটান, নেপাল আৰু হিমালয়ৰ পাহাৰীয়া এলেকাক সুৰক্ষিত কৰাত এছএছবিৰ বিশেষ ভূমিকা থকা বুলি কয়৷ দেশৰ আভ্যন্তৰীণ নিৰাপত্তা বজাই ৰখাত সশস্ত্ৰ সীমা বলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলিও কয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহে৷ ঠেলামৰাত সদৌ বাথৌ মহাসভাৰ ত্ৰিবাৰ্ষিক অধিবেশনত মুখ্যমন্ত্ৰীৰ সৈতে মুখ্য অতিথি হিচাপে উপস্থিত থাকে৷ বাথৌ মহাসভাৰ অধিবেশনত কেইবা শ বড়ো গাভৰুৱে প্ৰদৰ্শন কৰা বাগুৰুম্বা নৃত্য প্ৰত্যক্ষ কৰি অভিভূত হয়৷ গৃহমন্ত্ৰীগৰাকীয়ে খাম বজাই বড়ো জনগোষ্ঠীৰ কলা-সংস্কৃতিক প্ৰশংসা কৰে৷ বড়ো সমাজৰ পৰম আৰাধ্য সিজু গছত সেৱা গ্ৰহণ কৰে৷ দুপৰীয়া বিশেষ বিমান যোগে গুৱাহাটীত উপস্থিত হয় গৃহমন্ত্ৰী শ্বাহ৷ সৰুসজাই ষ্টেডিয়ামত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে অসম আৰক্ষীৰ ২,৫৫১ কমাণ্ডোৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত সমাৰোহত গৃহমন্ত্ৰীক অভিবাদন জনাবলৈ কমাণ্ডোৰ কৌশলগত দক্ষতা আৰু পেৰেড প্ৰদৰ্শন কৰে। গৃহমন্ত্ৰী শ্বাহে অসমৰ আৰক্ষীৰ এই ৫টা কমাণ্ডো বেটেলিয়নৰ নিযুক্তি নিকাভাবে হোৱা বুলি কৈ বাহিনীকেইটাই অধিক শক্তিশালী ৰূপত কাম কৰিব বুলি উল্লেখ কৰে৷ সন্ধিয়া অমিত শ্বাহে কলাক্ষেত্ৰত উপস্থিত হয়৷ কলাক্ষেত্ৰত আহোম সেনাপতি বীৰ লাচিত বৰফুকনৰ বিষয়ে অৰূপ কুমাৰ দত্তই লিখা 'Assam's Braveheart Lachit Barphukan' লিখা ২৩টা বিভিন্ন ভাষাৰ সংস্কৰণ উন্মোচন কৰে। গ্ৰন্থ উন্মোচন কৰি শ্বাহে কয় যে লাচিত বৰফুকনৰ ইতিহাস দ্বাৰা দেশবাসীৰ লাভ হ'ব। মোগলৰ হাতত আহোম সেনা পৰাজিত হ'লে আজি বাংলাদেশৰ সৈতে থাকিব লাগিলহেঁতেন অসম। ৰণত জয়ী হোৱাত অসম আজি ভাৰতৰ সৈতে আছে। লাচিত বৰফুকন অসমৰ নহয় সমগ্ৰ দেশৰ বীৰপুত্ৰ। শ্বাহে ২০৪৬ চনৰ ভিতৰত ভাৰত বিশ্বৰ শীৰ্ষ আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ হ'ব বুলি দাবী কৰি কয় যে ভাৰতে স্বাধীনতাৰ এশ বছৰ সম্পূৰ্ণ কৰাৰ সময়ত বিশ্বৰ সৰ্বপ্ৰথম আত্মনিৰ্ভৰশীল ৰাষ্ট্ৰ হ'ব। ইয়াৰ বাবে ২০৪৬ চন নিৰ্ধাৰণ কৰা হৈছে। আনহাতে ৰাজ্য চৰকাৰৰ অভিলাষী প্ৰকল্প 'ব্ৰহ্মপুত্ৰ ৰিভাৰফ্ৰণ্ট' উদ্বোধন কৰে গৃহমন্ত্ৰী শ্বাহে৷ এই আঁচনিয়ে অসমৰ নৈপৰীয়া পৰ্যটনক অনাগত দিনত নতুন গতি দিব বুলি মত ব্যক্ত কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে৷

# ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত ৰাহুল গান্ধী থাকিব বৰদোৱাত

**ই-সংবাদ, ২০ জানুৱাৰীঃ** ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত ক'ত থাকিব ৰাহুল গান্ধী৷ আজি এই প্ৰশ্নৰ উত্তৰ দিলে কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে৷ জয়ৰাম ৰমেশে কয় যে ২২ জানুৱাৰীত ৰাহুল গান্ধী থাকিব নগাঁও জিলাৰ কলিয়াবৰ৷ প্ৰথমে ঐতিহাসিক বৰদোৱাত সেৱা জনাব গান্ধীয়ে৷ যি বৰদোৱাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শৈশৱ, কৈশোৰ আৰু কৰ্মজীৱনৰ স্থলী হিচাপে বিখ্যাত৷ বৰদোৱাত শ্ৰীশ্ৰী শংকৰদেৱক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব গান্ধীয়ে। লগতে কলিয়াবৰত এখন ৰাজহুৱা সভাৰ আয়োজন কৰিছে প্ৰদেশ কংগ্ৰেছে৷ সভাত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে উপস্থিত থাকি জনতাক সম্বোধন কৰিব৷ কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে আজি এই কথা প্ৰকাশ কৰিছে৷ উল্লেখ্য যে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানক বিজেপিৰ ৰাজনৈতিক অনুষ্ঠান আখ্যা দি কংগ্ৰেছে বৰ্জন কৰাৰ পিছতে বিজেপিয়ে দলটোক আক্ৰমণৰ লক্ষ্য কৰি লৈ আহিছে।





# কোকৰাঝাৰত অনুকূলচন্দ্ৰৰ ১৩৬ তম জন্ম মহোৎসৱ উদযাপন

**ই-সংবাদ, কোকৰাঝাৰ, ২০ জানুৱাৰীঃ** দেশ তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বিটিআৰৰ সদৰ কোকৰাঝাৰতো আজি উদযাপন কৰা হয় শ্ৰী শ্ৰী ঠাকুৰ অনুকূলচন্দ্ৰৰ ১৩৬ তম জন্ম মহোৎসৱ৷ ঠাকুৰ অনুকূলচন্দ্ৰৰ জন্ম মহোৎসৱক লৈ বিটিআৰৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভক্তৰ সমাগমেৰে কোকৰাঝাৰ চহৰ উখল মাখল হৈ পৰে। কোকৰাঝাৰ সৎসঙ্গ বিহাৰ আৰু মাগুৰমাৰী সৎসঙ্গ বিহাৰৰ উদ্যোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে কোকৰাঝাৰ ৰাসমেলা পথাৰত উদযাপন কৰা হয় শ্ৰী শ্ৰী ঠাকুৰ অনুকূলচন্দ্ৰৰ এই জন্ম মহোৎসৱ৷ ৰাতিপুৱা ৫ বজাত উষাকীৰ্ত্তনৰে শ্ৰী শ্ৰী ঠকুৰ অনুকূলচন্দ্ৰৰ জন্ম মহোৎসৱ দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়৷ ৰাতিপুৱা ৬-৩০ বজাত প্ৰাতঃকালীন বিনতি প্ৰাৰ্থনা, অমৰ সংগীত, সমবেত নাম-জপ, অমিয় গ্ৰন্থাদি আদি পাঠ কৰা হয়৷ পুৱা ৯ বজাত সঙ্গীতঞ্জলি আৰু ১০ বজাত শ্ৰী শ্ৰী ঠাকুৰ, শ্ৰী শ্ৰী বড়মা আৰু শ্ৰী শ্ৰী বড়দাৰ ভোগ নিবেদন কৰা হয়৷ উল্লেখ্য যে ঠাকুৰ অনুকূলচন্দ্ৰৰ জন্ম মহোৎসৱ উদযাপনৰ সতে সংগতি ৰাখি পুৱা ১১ বজাত কোকৰাঝাৰ চহৰত ঠাকুৰ অনুকূলচন্দ্ৰৰ প্ৰতিকৃতি লৈ এক বিশাল বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হয়৷ শোভাযাত্ৰাত হাজাৰ হাজাৰ ভক্তৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-কৃষ্টিৰ দলে অংশগ্ৰহণ কৰে৷ শোভাযাত্ৰাৰ অন্তত কোকৰাঝাৰৰ আৰ এন বি অসামৰিক হস্পিতাল আৰু এম আৰ এম নাৰ্ছিং হস্পিতালত ফলমূল বিতৰণ কৰা হয়৷ বিয়লি এক বজাত ভাণ্ডাৰৰ প্ৰসাদ বিতৰণ আৰু বিয়লি ২ বজাৰ পৰা সৎসঙ্গী সন্মিলন অনুষ্ঠিত হয়৷ শ্ৰী শ্ৰী ঠাকুৰ অনুকূলচন্দ্ৰৰ ১৩৬ তম জন্ম মহোৎসৱ উদযাপন কাৰ্যসূচীত বিটিআৰৰ বিভিন্ন জিলাৰ লগতে ধুবুৰী জিলাৰ পৰা অহা হাজাৰ হাজাৰ ভক্তৰ সমাগম ঘটে৷

## শেষ পৃষ্ঠা

# অসমৰ বিৰুদ্ধে বৃহৎ অগ্ৰগতিৰ দিশে অন্ধ্ৰ

**ডিব্ৰুগড়, ২০ জানুৱাৰীঃ** ইয়াত চলি থকা ৰঞ্জি ট্ৰফিৰ এলাইট গ্ৰুপ 'বি'ৰ মেছত অসমৰ বিৰুদ্ধে বৃহৎ অগ্ৰগতিৰ দিশত অগ্ৰসৰ হৈছে অন্ধ্ৰপ্ৰদেশ। আলহী দলটোৰ ১৮৮ ৰানৰ প্ৰথম ইনিংছৰ প্ৰত্যুত্তৰত কালিৰ বিনা উইকেটত ৪৩ ৰানৰ পৰা খেলিবলৈ আৰম্ভ কৰি অসমে ৬০.১ অভাৰত ১৬০ ৰান কৰি ইনিংছ সামৰে। অসমৰ দুই অপেনাৰ ঋষভ দাসে ৩৬ আৰু ৰাহুল হাজৰিকাই ৩৯ ৰান কৰে। দুয়োজনে সুন্দৰ আৰম্ভ কৰিলেও বৃহৎ স্ক'ৰ কৰাত ব্যৰ্থ হয়। তেওঁলোকৰ বাহিৰে বাকী সকলো বেটাৰ ব্যৰ্থ হয়। অন্ধ্ৰৰ হৈ ললিত মোহন আৰু মনীষ গোলামাৰুৱে তিনিটাকৈ উইকেট দখল কৰে। প্ৰথম ইনিংছত ২৮ ৰানৰ অগ্ৰগতি লাভ কৰা অন্ধ্ৰপ্ৰদেশে দ্বিতীয় ইনিংছ এটা উইকেট হেৰুৱাই ১৪৭ ৰান কৰি বৃহৎ ৰানৰ লীড লোৱাৰ ফালে অগ্ৰসৰ হৈছে। দিনান্তত ৰিকী ভুই ৫২ আৰু হনুমা বিহাৰীয়ে ৪৮ ৰান কৰি ক্ৰিজত আছে। অসমৰ বলাৰ সকলে প্ৰথম ইনিংছত সুন্দৰ বলিং কৰি যি সুযোগৰ সৃষ্টি কৰিছিল সেয়া বেটাৰসকলৰ ব্যৰ্থতাৰ বাবে দলে আদায় কৰিব নোৱাৰিলে। ক্ৰমাগতভাৱে দুখন মেছত শতৰান কৰা দলৰ অধিনায়ক ৰিয়ান পৰাগ (১২) আজি ব্যৰ্থ হয়।



■ লখিমপুৰত কংগ্ৰেছীৰ বাহনত আক্ৰমণত দুৰ্বৃত্তৰ




■ মণ্টে কাৰ্লোত অনুষ্ঠিত ৪৬ সংখ্যক চাৰ্কাছ মহোৎসৱৰ এটি দৃশ্য

# আৰক্ষীৰ জালত ডিপফেক ভিডিঅ' ক্ৰিয়েটৰ

**অনলাইন ফিচাৰ্ছ, ২০ জানুৱাৰীঃ** দক্ষিণৰ অভিনেত্ৰী ৰশ্মিকা মণ্ডন্নাৰ ডিপফেক ভিডিঅ' প্ৰস্তুত কৰা অভিযুক্ত ব্যক্তিজনক গ্ৰেপ্তাৰ কৰিছে দিল্লী আৰক্ষীয়ে। উল্লখ্য যে, যোৱা বছৰৰ নৱেম্বৰত সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছিল ৰশ্মিকা মণ্ডন্নাৰ এটা ডিপফেক ভিডিঅ'। তাৰ পিছতে ছ'চিয়েল মিডিয়াত ডিপফেক সন্দৰ্ভত আইন প্ৰণয়ন কৰাৰ দাবী উত্থাপন হৈছিল। ভাইৰেল হোৱা এই ভিডিঅ'টো প্ৰকৃততে আছিল ব্ৰিটিছ-ভাৰতীয় ইনফ্লুৱেঞ্চাৰ জাৰা পেটেল নামৰ এগৰাকী যুৱতীৰ। ডিপ ফেক প্ৰযুক্তিৰ জৰিয়তে যুৱতীগৰাকীৰ মুখত অভিনেত্ৰী ৰশ্মিকাৰ মুখমণ্ডল সংলগ্ন কৰি প্ৰস্তুত কৰা হৈছিল ভাইৰেল ভিডিঅ'টো। এই ডিপফেক ভিডিঅ'টো ভাইৰেল হৈ পৰাৰ পিছতে অভিনেত্ৰী মাণ্ডন্নাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ সেই সময়ত কয়, ''এয়া অতি ভয়ংকৰ। সঁচা কথা ক'বলৈ গ'লে এনেকুৱা কিবা এটা কেৱল মোৰ বাবেই নহয়, আজি প্ৰযুক্তিৰ অপব্যৱহাৰৰ বাবে যথেষ্ট ক্ষতিৰ সন্মুখীন হোৱা আমাৰ প্ৰতিজনৰ বাবে অত্যন্ত ভয়ংকৰ।'' ইফালে ভাইৰেল ডিপফেক ভিডিঅ'টোৰ পিছতে কেন্দ্ৰীয় চৰকাৰক ছ'চিয়েল মিডিয়া প্লেটফৰ্মৰ বাবে গাইডলাইন জাৰি কৰিবলৈ দাবী জনায় অনেকে। ডিচেম্বৰ মাহত কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰে বিভিন্ন ছ'চিয়েল মিডিয়া প্লেটফৰ্মক সাক্ষাৎ কৰি ভুল তথ্য আৰু ডিপফেকৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত তেওঁলোকে গ্ৰহণ কৰা পদক্ষেপপ পৰ্যালোচনা কৰে। তেওঁ লগতে কয় যে প্লেটফৰ্মসমূহে এশ শতাংশ অনুসৰণ নিশ্চিত কৰিবলৈ অহা দুদিনত পৰামৰ্শ জাৰি কৰা হ'ব। এই বৈঠকৰ পিছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ডিপফেক আমাৰ সকলোৰে বাবে এটা ডাঙৰ বিষয়। আমি শেহতীয়াকৈ সকলো বৃহৎ ছ'চিয়েল মিডিয়া প্লেটফৰ্মলৈ জাননী জাৰি কৰি তেওঁলোকক ডিপফেক চিনাক্ত কৰি তেনে কন্টেণ্ট প্ৰতিৰোধৰ বাবে পদক্ষেপ ল'বলৈ কৈছো। ছ'চিয়েল মিডিয়া প্লেটফৰ্মসমূহে ইয়াৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁলোকে ব্যৱস্থা গ্ৰহণ কৰিছে। আমি তেওঁলোকক এই কামত অধিক আক্ৰমণাত্মক হ'বলৈ কৈছো।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান